অধ্যায়- ১৩ ঃ উত্তৰ-পূব ভাৰতত উন্নয়ন

অধ্যায় গাঁথনি ঃ

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ উত্তৰ-পূব ভাৰতত উন্নয়ন

১৩.৪ উত্তৰ-পূব পৰিষদ আৰু ইয়াৰ গুৰুত্ব

১৩.৫ উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্রণালয়

১৩.৬ পূবলৈ চাওক নীতি (Look East Policy) আৰু উত্তৰ-পূব ভাৰত

১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৮ অধিক জানিবলৈ

১৩.৯ অগ্রগতি খতিয়ান

১৩.১০ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উত্তৰ-পূব ভাৰতৰ প্রেক্ষাপটত উন্নয়নৰ ধাৰণা বুজিবলৈ সমর্থ হ'ব
- উত্তৰ-পূব পৰিষদৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব
- উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্রণালয়ৰ পৰিচয় আগবঢ়াব পাৰিব
- পূবলৈ চাওক নীতি (Look East Policy) ৰ ধাৰণা আৰু উত্তৰ-পূব ভাৰতত ইয়াৰ যুক্তিযুক্ততাৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

এই অধ্যায়টিত উত্তৰ-পূব পৰিষদ আৰু উত্তৰ-পূব অঞ্চল উন্নয়ন মন্ত্রালয় আদিৰ দৰে বিভিন্ন অভিকৰণৰ লগতে অঞ্চলটোৰ উন্নয়ন প্রক্রিয়া ত্বৰান্বিত কৰিবলৈ চৰকাৰে গ্রহণ কৰা 'পূবলৈ চাওক নীতি' আদিৰ দৰে কার্যকলাপৰ বিষয়ে আলোচনা কৰা হৈছে।

১৩.৩ উত্তৰ-পূব ভাৰতত উন্নয়ন ঃ এটি পৰিচয়

উত্তৰ-পূব ভাৰতত উন্নয়ন প্রধানত সুৰক্ষাজনিত উদ্বিগ্নতাৰ ওপৰত নির্ভৰশীল আৰু সেইবাবে কেন্দ্রৰ ৰাজ্যকেন্দ্রিক দৃষ্টিয়ে গোটেই অঞ্চলটোক বেছিভাগ ক্ষেত্রত অনুন্নত আৰু অকলশৰীয়া কৰি ৰাখিছে। ইয়াত উন্নয়নৰ কার্যই সীমান্ত অঞ্চল এটাক জাতীয়কৰণ

কৰাৰ আকাৰ লৈছে। ধাৰণাগত শ্ৰেণীৰ পৰা উত্তৰ-পূব ভাৰতক বেছিভাগ ক্ষেত্ৰতে সীমান্ত অঞ্চলৰ দৰে দেখা যায়। সুৰক্ষাজনিত চিন্তা আৰু উদ্বেগৰ বাবে ক্ষুদ্ৰ তথা নিৰ্ভৰশীল ৰাজ্যবোৰৰ উত্থান ঘটিছে যিবোৰে ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ৰাজনীতি ব্যৱস্থাত স্বায়ত্বশাসিত গোটৰ সৃষ্টি কৰিছে। ইয়াতেই "উন্নয়নবাদৰ যুক্তি"ৰ ধাৰণাটো আহি পৰে যিটো ভাৰতৰ বিভিন্ন প্ৰতিষ্ঠান(বিভাগত)ত গভীৰভাৱে শিপাই আছে বুলি বিশ্বাস কৰা হয়। ইয়াৰ আঁৰত সীমান্তৰ অঞ্চলক জাতীয়কৰণ কৰাৰ লক্ষ্য নিহিত হৈ আছে। কেন্দ্ৰৰ এই অঞ্চলৰ উন্নয়নৰ পদক্ষেপক সেয়ে সীমান্ত অঞ্চলৰ দৈনন্দিন নিয়ন্ত্ৰন হিচাপেহে পৰিলক্ষিত হোৱা দেখা যায়। ভাৰতীয় ৰাজ্য চৰকাৰবোৰৰ ক্ষেত্ৰত বিহিত আনুষ্ঠানিক আহিলা প্ৰয়োগ কৰি এই অঞ্চলটোৰ চৰকাৰী আন্তঃগাঁথনিবোৰৰ গুৰুত্বপূৰ্ণ পুনৰ্গঠন কৰা আৰু পুনৰ-অভিবিন্যাস ঘটোৱা হৈছে। উত্তৰ-পূব ভাৰতৰ প্ৰসংগত উন্নয়নৰ ধাৰণা একেবাৰেই সাধাৰণ কাৰণ ইয়াৰ মাজেৰে এই অঞ্চলৰ উন্নয়নৰ প্ৰয়োজনীয়তা স্পষ্টহৈ পৰে। এনেকুৱা মন্তব্যবোৰ নিঃসন্দেহে সঁচা যে উন্নয়ন কেৱলমাত্ৰ আৰ্থ-সামাজিক প্ৰচেষ্টাতকৈ বেছি অৰ্থ বহন কৰে আৰু ই এনে এটা ধাৰণা যিয়ে সমাজৰ মংগলৰ কাৰণে বাস্তৱ আৰু বিশ্বাসৰ এক অনন্য আৰ্হি প্ৰস্তুত কৰে।

যি কি নহওঁক, এই অঞ্চলৰ নতুন আঞ্চলিক শৃংঙ্খলাতউন্নয়নক কেৱলমাত্ৰ যুক্তৰাষ্ট্ৰীয় বুলি ওপৰে ওপৰে ভবা যায় কাৰণ কেন্দ্ৰীয় চৰকাৰে এতিয়াও অঞ্চলটোৰ সিদ্ধান্ত গঠনৰ লগতে উন্নয়নৰ বাটত সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ ভোগ কৰে। এই অঞ্চলৰ ৰাজনৈতিক অগ্ৰগতিক নিৰ্ধাৰণ কৰিবলৈ কেন্দ্ৰৰ যিহেতু ক্ষমতা আৰু কৰ্তৃত্ব আছে সেয়ে অঞ্চলটোৰ দুৰ্গম আৰু পিছপৰা অঞ্চলবিলাকত সোমাব পৰাটো সম্ভৱপৰ হৈছে। কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণ পৰিদৰ্শন কৰা হৈছে অঞ্চলটোৰ উন্নয়নমূলক প্ৰকল্পসমূহৰ পৰিকল্পনা কৰা, আঁচনি প্ৰস্তুত কৰা আৰু বিত্তৰ যোগান ধৰা কামসমূহত। এনেকুৱা প্ৰভাৱশালী প্ৰচেষ্টাৰ প্ৰদৰ্শন হৈছে উত্তৰ-পূব উন্নয়ন মন্ত্ৰণালয় (ডনাৰ, DONER)। দেশৰ আন কোনো অঞ্চলৰ ওপৰত নতুন দিল্লীৰ এনে আধিপত্য দেখা পোৱা নাযায়।

যেতিয়া উত্তৰ-পূব ভাৰতৰ উন্নয়নৰ কথা আলোচনা কৰা হয় তেতিয়া এই অঞ্চলৰ মানৱ কল্যাণৰ দিশটোও আলোচনা কৰাটো অত্যাৱশ্যকীয়। এইটো উল্লেখ কৰাটো বৰ প্ৰয়োজনীয় যে গোটেই দেশখনতকৈ ই বেছি পৃথক নহয়। যদিওবা এই অঞ্চলটো বিংশ শতিকাৰ শেষৰ দশকত উন্নতি লাভ কৰিছে ই বহুতো ক্ষেত্ৰত পিছ পৰি আছে। উদাহৰণস্বৰূপে স্বাক্ষৰতা আৰু স্বাস্থ্য। ইয়াৰ উপৰি, জনপ্ৰিয় ধাৰণাৰ বিপৰীতে, এই অঞ্চলৰ মহিলাসকলৰ অৱস্থা সন্তোষজনক নহয় কাৰণ ইয়াত বহুল পৰিমাণে লিঙ্গ অসমতা দেখা যায়। এফালৰ পৰা চাবলৈ গ'লে এই লিংগ বৈষম্য ত্ৰিপুৰা আৰু অসমত অধিক।

অনুশীলনী-১

তলৰ প্ৰশ্নসমূহৰ উত্তৰ কৰক-

(১) উন্নয়নবাদৰ যুক্তি কিহৰ লগত জড়িত হৈ আছে?

.....

.....

.....

(২) কছমেটিক যুক্তৰাষ্টবাদ কি?

.....

.....

.....

১৩.৩ উত্তৰ-পূব পৰিষদ আৰু ইয়াৰ গুৰুত্ব

উত্তৰ-পূব পৰিষদ হৈছে উত্তৰ-পূব অঞ্চলৰ আৰ্থ-সামাজিক উন্নয়নৰ কাৰণে এটা সংবিধিবদ্ধ গোট আৰু সংযোগকাৰী সংস্থা। ভাৰতৰ ৰাষ্ট্ৰপতিৰ দ্বাৰা মনোনীত তিনিজন সদস্য আৰু সভাপতিৰ বাহিৰেও উত্তৰ-পূব ভাৰতৰ আটাইকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালৰ দ্বাৰা ই গঠিত। ১৯৭১ চনত এখন সংসদীয় আইনৰ দ্বাৰা গঠিত হোৱাৰ পিছত এই পৰিষদে এই অঞ্চলৰ প্ৰগতিশীল আৰু তীব্ৰতৰ উন্নয়নৰ যাত্ৰাৰম্ভ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্ৰণালয়ৰ সহযোগী সংস্থাসমূহৰ মাজৰ এটা হিচাপে উত্তৰ-পূব পৰিষদ সূচীভুক্ত হৈছে। ইয়াৰ মুখ্য কাৰ্য্যালয় মেঘালয়ৰ শ্বিলঙত অৱস্থিত। ইয়াৰ যুগ্ম উদ্দেশ্য হিচাপে ভাৰসাম্যযুক্ত উন্নয়ন আৰু সুৰক্ষা দুয়োটাকে চলাই আছে। উত্তৰ-পূব অঞ্চলৰ লক্ষ্য ২০২০ যি প্ৰধানত লক্ষ্যভিত্তিক আঁচনি আৰু কাৰ্যকলাপক বাস্তৱায়িত কৰাৰ এই উপায় যাক প্ৰস্তুতকৰণত এন. ই. চি.য়ে সহযোগকাৰীৰ ভূমিকা পালন কৰি আছে। ই ইয়াৰ প্ৰকল্পসমূহ ৰাজ্যিক আৰু কেন্দ্ৰীয় পৰ্যায়ৰ সংস্থাসমূহৰ দ্বাৰা সম্পাদন কৰে।

সকলো প্ৰকাৰৰ প্ৰধান অৰ্থনৈতিক কাৰ্যকলাপসমূহৰ সুবিধা প্ৰদান কৰাৰ কাৰণে যিহেতু উত্তৰ-পূব ভাৰত এটা কৌশলগত অৱস্থানত আছে, পৰিষদে ইয়াৰ উত্তৰণৰ কাৰণে সক্ৰিয়ভাৱে সহায় কৰিছে। উদাহৰণস্বৰূপে, এই অঞ্চলত আন্তঃৰাজ্যিক যোগাযোগ

ব্যৱস্থাক উন্নত কৰি ই অঞ্চলটোৰ সকলো ধৰণৰ আন্ত:আঞ্চলিক বাধাসমূহ নির্মূল কৰিছে আৰু ই অঞ্চলটোৰ উন্নয়নৰ বাট মুকলি কৰি দিছে। ই অঞ্চলটোৰ ভাৰসাম্যযুক্ত উন্নয়ন সুৰক্ষাৰ কাৰণে আৰু অঞ্চলটোৰ সাদৃশ্য থকা বিষয়বিলাকৰ ক্ষেত্রত প্রস্তাৱ গঠন কৰিছে। ইয়াৰ এক উল্লেখনীয় সফলতাৰ উদাহৰণ হৈছে পৰিষদৰ উদ্যোগত প্রস্তুত কৰা পৰি প্রেক্ষণ পৰিকল্পনা ২০০১ (Perspective Plan 2001) এই পৰিকল্পনাটোৱে পথ পৰিবহন আৰু এই অঞ্চলৰ ৰাস্তাৰ উন্নয়নৰ কামত পর্যাপ্ত বৰঙনি যোগাই আহিছে। ই অবিৰতভাৱে বিমান বন্দৰসমূহৰ আন্তঃগাঁথনিৰ একত্রীকৰণৰ কামতো বৰঙনি যোগাই আহিছে যাৰ কাৰণে অঞ্চলটোৰ প্রধান বিমান বন্দৰসমূহ পৰিষদে ভাৰতীয় বিমানবন্দৰ কর্তৃপক্ষৰ সহযোগিতাত উন্নতি সাধনৰ চেষ্টা কৰি আছে। পৰিষদক ২০০২ চনত এই অঞ্চলৰ কাৰণে আঞ্চলিক পৰিকল্পনাৰ বাবে গঠন কৰা হয় আৰু তাৰ আগলৈকে ই কেৱল উপদেশকাৰী গোট হিচাপে কাম কৰি আছিল। এন. ই. চি.য়ে কেন্দ্রীয় চৰকাৰৰ দ্বাৰা বহুলভাৱে বিত্তৰ সহায় লাভ কৰা।

২০০৮ চনৰ ১৩ মে'ত হোৱা ৫৫ নং অধিবেশনত উত্তৰ-পূব অঞ্চলৰ লক্ষ্য ২০২০ (NER Vision 2020) উত্তৰ-পূব পৰিষদৰ সকলো সদস্যৰ দ্বাৰা গৃহীত আৰু স্বাক্ষৰিত কৰা হৈছিল। ১৩ জুন, ২০১৮ চনত গৃহমন্ত্রীক উত্তৰ-পূব পৰিষদৰ সভাপতি আৰু ৰজ্যৰ মন্ত্রীক পৰিষদৰ উপ-সভাপতি হিচাপে কৰা মনোনয়ন পত্রত কেন্দ্রীয় মন্ত্রীসভাই অনুমোদন জনাইছিল। এইটো কৰা হৈছিল কাৰণ কেন্দ্রই উত্তৰ-পূব পৰিষদক পোনপটীয়াকৈ গৃহ মন্ত্রণালয়ৰ নিয়ন্ত্রণলৈ অনাৰ সিদ্ধান্ত লৈছিল যিটোৱে তেতিয়ালৈকে উত্তৰ-পূব অঞ্চলৰ উন্নয়নৰ মন্ত্রীয়ে সভাপতিত্ব কৰি আছিল।



অগ্রগতি নিৰীক্ষণ

(১) উত্তৰ-পূব পৰিষদ চিকিমকে ধৰি উত্তৰ-পূব ভাৰতৰ আটাইকেইখন আঠটা ৰাজ্যৰ মুখ্যমন্ত্রী আৰু ৰাজ্যপালৰ দ্বাৰা গঠিত। (সঁচা/মিছা)

(২) উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্রণালয়ৰ সহযোগী সংস্থাসমূহৰ মাজৰ এটা হিচাপে উত্তৰ-পূব পৰিষদ সূচীভুক্ত হৈছে। (সঁচা/মিছা)

(৩) এই বছৰৰ ১৩ জুন মাহত, গৃহমন্ত্রীক উত্তৰ-পূব পৰিষদৰ সভাপতি আৰু ৰাজ্যৰ মন্ত্রীক পৰিষদৰ উপ-সভাপতি হিচাপে কৰা মনোনয়ন পত্রত কেন্দ্রীয় মন্ত্রীসভাই অনুমোদন জনাইছিল। (সঁচা/মিছা)

১৪.৪ উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্রণালয়

ডনাৰৰ বিভাগ (Department of DoNER, Development of North Eastern region) হিচাপে ২০০১ চনত স্থাপিত হোৱাৰ পিছত ২০০৪ চনত উত্তৰ-পূব অঞ্চলৰ

উন্নয়ন মন্ত্রণালয় হিচাপে ই ভাৰত যুক্তৰাষ্টৰ মন্ত্রণালয়লৈ উন্নীত হৈছিল যাক ডনাৰ (DoNER) হিচাপে জনা বেছিকৈ জনা যায়। কেন্দ্রীয় চৰকাৰৰ তলত এইটো সেই সংযোগকাৰী সংস্থা যি প্রধানতঃ উত্তৰ-পূব ভাৰতৰ আঠখন ৰাজ্যৰ আর্থ-সামাজিক সংক্রান্তীয় পৰিমাপৰ লগত জড়িত গুৰুত্বপূর্ণ বিষয়সমূহ আৰু উন্নয়নৰ দিশসমূহ চোৱা-চিতা কৰে। ই পৰিকল্পনা; কার্যকাৰিতা আৰু উত্তৰ-পূব ভাৰতৰ উন্নয়নমূলক আঁচনি আৰু প্রকল্পসমূহৰ চোৱা-চিতাৰ লগত জড়িত বিষয়সমূহৰ দায়িত্ব বহন কৰে। ই ২০০৪ চনতহে এটা সম্পূর্ণ মন্ত্রণালয় হিচাপে স্বীকৃতি লাভ কৰে। ডনাৰৰ মন্ত্রীসভাই কেন্দ্রীয় সচিব আৰু আন সহযোগী সচিবসমূহৰ দ্বাৰা সহায় লাভ কৰে। যিহেতু উত্তৰ-পূব পৰিষদ প্রধানকৈ পৰিকাঠামোৰ উন্নতিসাধন আৰু উত্তৰ-পূব ভাৰতৰ উন্নয়নৰ লগত জড়িত, গতিকে ই ধাৰণ ক্ষমতা নির্মাণ প্রক্রিয়াৰ সুযোগ প্রদানকাৰী, উকালতি আৰু কেন্দ্রীয় মন্ত্রণালয় আৰু উত্তৰ-পূব ভাৰতৰ ৰাজ্যিক চৰকাৰসমূহৰ সৈতে সমন্বয়কাৰী হিচাপে কার্যনির্বাহ কৰে। তেনে কৰি, ই অর্থনৈতিক উন্নয়নৰ কাৰণে কেন্দ্রীয় বিভাগসমূহ আৰু উত্তৰ-পূব অঞ্চলৰ ৰাজ্যিক চৰকাৰসমূহৰ মাজত মধ্যস্থতাকাৰী হিচাপে কার্যনির্বাহ কৰে। কমপক্ষেও নিম্নমানৰ সেৱা প্রদান কৰা, বজাৰত অর্থনৈতিক প্রতিযোগিতাক উদ্গনি দিয়া যাতে ব্যক্তিগত বিনিয়োগৰ এটা পৰিবেশ গঢ় লৈ উঠে আৰু অঞ্চলটোত শান্তি আৰু সম্প্রীতি নিশ্চিত হয় ইত্যাদি বিষয়সমূহ পৰিষদৰ চিন্তাৰ ভিতৰত পৰে। ৰাজ্যৰ মন্ত্রী শ্রী জিতেন্দ্র সিঙৰ নের্তৃত্বত বর্তমান মন্ত্রণালয়টোৱে অঞ্চলটোৰ অর্থনৈতিক উন্নয়নৰ ক্ষেত্রত এক সক্রিয় ভূমিকা পালন কৰিছে। মন্ত্রণালয়টোৰ বিভিন্ন পৃথক পৃথক বিভাগ আছে যি ইয়াৰ তলত কার্যনির্বাহ কৰে-

(১) উত্তৰ-পূব পৰিষদ

(২) উত্তৰ-পূব উন্নয়ন বিত্ত নিগম লিমিটেড

(৩) চিকিম খনন নিগম লিমিটেড

(৪) উত্তৰ-পূব আঞ্চলিক কৃষি ব্যৱসায় নিগম লিমিটেড

(৫) উত্তৰ-পূব হস্ততাঁত আৰু হস্তশিল্প উন্নয়ন নিগম ।

অনুশীলনী-২

উত্তৰ কৰক-

(১) ডনাৰ (DoNER) মন্ত্রণালয়ৰ দ্বাৰা সম্পন্ন কৰা কিছুমান গুৰুত্বপূর্ণ প্রকল্প বিচাৰি উলিয়াওক।

.....

.....

.....

১৩.৬ পূবলৈ চাওক নীতি (Look East Policy) আৰু উত্তৰ-পূব ভাৰত

দেশখনৰ ঐতিহাসিক বিভাজনে উত্তৰ-পূব ভাৰতৰ অঞ্চলখনক প্ৰান্তবৰ্তী বিচ্ছিন্নতাৰ মাজত পেলাই ৰাখিছে। প্ৰকৃতাৰ্থত বি.জি. ভাৰ্গীছে অঞ্চলটোক ভূটান আৰু নেপালৰ সৈতে দক্ষিণ এছিয়াৰ তৃতীয় স্থলবেষ্টিত 'অঞ্চল' বুলি বৰ্ণনা কৰিছে। অনুৰূপভাৱে, ইয়াৰ অৰ্থনৈতিক অৱস্থাও বিভাজনৰ পিছত সংযোগবিচ্ছিন্নতা আৰু বজাৰৰ অভাৱৰ কাৰণে বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে আৰু পিছুৱাই গৈছে। অঞ্চলটোক বৃটিছৰ আধিপত্য আৰু ম্যানমাৰক সীমান্তবৰ্তী হিচাপে গণ্য কৰাৰ কাৰণে আৰু আন্তঃআঞ্চলিক বাণিজ্যিক বাধা আৰোপ কৰাৰ কাৰণে ইয়াৰ পাৰ্বত্য আৰু সমতল অঞ্চলত বিভাজনৰ ৰেখা টনাৰ সিদ্ধান্ত ইত্যাদিয়ে জ্বলা জুইত ঘিউ ঢলাৰ দৰে কাম কৰিছে। আঞ্চলিক সহযোগিতা আৰু আঞ্চলিক গোটবন্ধনৰ ধাৰণা ঐতিহাসিকভাৱে শীতল যুদ্ধৰ সমাপ্তি আৰু ছোভিয়েট যুক্তৰাষ্ট্ৰৰ পতনৰ মাজতদৃশ্যমান হৈছে। ফলত দেশসমূহৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা স্থাপন কৰাৰ লগতে ৰাজনৈতিক আৰু সৈনিক সম্পৰ্কীয় বিষয়ৰ তুলনাত অৰ্থনৈতিক আৰু বাণিজ্যিক বিষয়সমূহৰ গুৰুত্ব বাঢ়ি অহা দেখা পোৱা গৈছে। তাৰ মাজতে বহুতো ৰাষ্ট্ৰৰ মাজত এইটো উপলব্ধি বৃদ্ধি পাইছে যে কাৰোবাৰ নিজৰ কল্যাণ সেই দেশৰ অৱস্থিত থকা অঞ্চলৰ কল্যাণৰ দ্বাৰা অধিকভাৱে প্ৰভাৱান্বিত হৈছে।

১৯৯১ চনত পি.ভি. নৰসিংহ ৰাওৰ নেতৃত্বত চলি থকা চৰকাৰৰ সময়ছোৱাত ভাৰতৰপূবলৈ চাওক নীতি (Look East Policy) ৰ আৰম্ভণি কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল ভাৰতক এটা আঞ্চলিক শক্তি হিচাপে সুদৃঢ় অধিকাৰ নিশ্চিত কৰাৰ উদ্দেশ্যে দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ সৈতে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক আৰু কৌশলগত সম্পৰ্ক স্থাপন কৰাৰ। ইয়াৰ পিছৰ সকলো চৰকাৰেই ইয়াৰ সমৰ্থন ব্যক্ত কৰিছিল। ইয়াত এইটো উল্লেখ কৰাটো প্ৰয়োজনীয় যে ভাৰতৰ সদায় দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ সৈতে বন্ধুত্বপূৰ্ণ আৰু সহায়ক সম্পৰ্ক আছে। উদাহৰণস্বৰূপে, কম্বোডিয়া, ছিংগাপুৰ, ভিয়েটনাম আদি দেশসমূহৰ সৈতে ভাৰতে এক উল্লেখযোগ্য সাংস্কৃতিক সম্পৰ্ক ৰক্ষা কৰিছে। পূবলৈ চোৱা নীতিয়ে 'আছিয়ান' (ASEAN) সদস্য ৰাষ্ট্ৰসমূহৰ সৈতে ৰাজনৈতিক বুজাপৰা নবীকৰণত লক্ষ্য দিয়ে। ইয়াৰ আওতাৰ মাজত বিভিন্ন ক্ষেত্ৰ যেনে, বিজ্ঞান, প্ৰযুক্তি, পৰ্যটন, বাণিজ্য, সংস্কৃতি ইত্যাদিক অন্তৰ্ভুক্ত কৰি ই উন্নত আৰু প্ৰগতিশীল অৰ্থনৈতিক লেন-দেনক সমৰ্থবান কৰি তোলে। আমি দেখিব পাৰো যে আছিয়ান (ASEAN) আৰু এপেক (APEC) অঞ্চলৰ ঠাইবিলাকৰ বাণিজ্যিক ক্ষেত্ৰত সোমাবলৈ ভাৰতে কেনেকুৱা গম্ভীৰ প্ৰচেষ্টা চলাই আছে। ভাৰতৰ দক্ষিণ পূব এছিয়াৰ লগত ভৌগোলিকভাৱে থকা নিকটবৰ্তীতাৰ ফলত এই প্ৰচেষ্টাসমূহ অধিকভাৱে ফলপ্ৰসু হৈ আছে। এইটোও বিশ্বাস কৰা হয় যে আঞ্চলিক সহযোগিতাৰ মাজেৰে বিদ্ৰোহ, অনুপ্ৰবেশ আৰু নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহৰ সমস্যাও সমাধান কৰাৰ থল আছে। নীতিটোৱে ফল দিবলৈ ধৰিছিল ২০০২

চনৰ পৰা আছিয়ান চৰকাৰসমূহৰ নেতৃত্ব আৰু ভাৰতৰ প্ৰধান মন্ত্ৰীৰ সৈতে কম্বোডিয়াত হোৱা এটা চূড়ান্ত অধিবেশনৰ দ্বাৰা। তাত বহুতো দ্বিপাক্ষিক আৰু বহুপাক্ষিক চুক্তি স্বাক্ষৰিত হয় যি দক্ষিণ পূব এছিয়াৰ লগত ভাৰতৰ বৰ্দ্ধিত সম্পৰ্কৰ ভিত্তি প্ৰদান কৰিছে। উদাহৰণস্বৰূপে আমি বিমছটেকৰ (BIMSTEC) কথাই ক'ব পাৰো। (বাংলাদেশ, ভাৰত, ম্যানমাৰ, শ্ৰীলংকা, থাইলেণ্ড অৰ্থনৈতিক নিগম) কথা ক'ব পাৰো।

ভাৰতৰ উত্তৰ-পূব অঞ্চল প্ৰচুৰ প্ৰাকৃতিক সম্পদৰ ভাণ্ডাৰ যাক উন্নীতকৰণ কৰাৰ প্ৰচুৰ সম্ভাৱনাও আছে। যি কি নহওঁক, ইয়াক এতিয়াও কামত লগোৱা হোৱা নাই আৰু স্বাধীনতাৰ ফলস্বৰূপে সীমাহীন অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিবৰ্তনৰ ফলত। এটা অস্বস্তিৰ ভাব বৃদ্ধি পাইছে। যি কি নহওঁক, সম্প্ৰতি জাতীয় উন্নয়নৰ প্ৰশ্নৰ মাজত এই অঞ্চলৰ উন্নয়নৰ প্ৰশ্নক অন্তৰ্ভূক্ত কৰা হৈছে। এনেকুৱা উন্নয়নে আন দেশৰ সৈতে ভাৰতৰ সম্পৰ্ক স্বচ্ছল কৰিব বুলি বিশ্বাস কৰা হয়। এই প্ৰসঙ্গত পূবলৈ চাওক নীতি (Look East Policy) বৰ গুৰুত্বপূৰ্ণ হৈ পৰে কাৰণ আছিয়ান দেশসমূহৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ় দি ভাৰতে ইয়াক এটা নতুন দিশ প্ৰদান কৰিছে ভাৰতৰ অৰ্থনৈতিক আৰু সুৰক্ষাজনিত স্বাৰ্থক চিন্তাৰ মাজত ৰাখি। ভাৰতৰ দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে বাণিজ্যিক লেন-দেনৰ ওপৰত নিৰ্ভৰ কৰিয়ে উত্তৰ-পূব ভাৰতৰ উন্নয়ন আৰু বিকাশ আৰম্ভ হৈছিল বুলি দেখা যায়।

মোদী চৰকাৰে এই ধাৰণাটোকে আগুৱাই লৈ গৈছে আৰু নিজা সূত্ৰ পূবলৈ কাৰ্য কৰা নীতি প্ৰয়োগ কৰিছিল আছিয়ান আৰু পূব এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতৰ সম্পৰ্ক স্থাপন আৰু উন্নত কৰিবলৈ। উত্তৰ-পূব ভাৰতীয় অঞ্চলৰ উন্নয়নক এই অঞ্চলৰ বিদ্রোহৰ সমস্যাক দমন বা নিয়ন্ত্ৰণৰ এক পদক্ষেপ হিচাপে ভবা হয়। উত্তৰ-পূব ভাৰতৰ সীমান্ত উত্থান ঘটাৰ কাৰণ হ'ল এই অঞ্চলৰ সৈতে ভাৰতৰ মূলভূমি আৰু আন দক্ষিণ-পূব এছিয় দেশসমূহৰ মাজত থকা ব্যৱধান। ইতিমধ্যে উল্লেখ কৰাৰ দৰে, বৰ্দ্ধিত ৰেল আৰু বিমানসেৱা, সীমান্তৰ বাণিজ্য ইত্যাদিৰ উন্নয়নে এইটো ধাৰণালৈ আমাক লৈ যায় যে উত্তৰ-পূব ভাৰতৰ ভৱিষ্যত পূবলৈ চাওক নীতি (Look East Policy) ৰ সৈতে বৰ সূক্ষ্মভাৱে সম্পৃক্ত হৈ আছে যেন প্ৰতীয়মান হয়।



অগ্ৰগতি নিৰীক্ষণ

(৪) আঞ্চলিক সহযোগিতা আৰু আঞ্চলিক গোটবন্ধনৰ ধাৰণা ঐতিহাসিকভাৱে শীতল যুদ্ধৰ সমাপ্তি আৰু ছোভিয়েট যুক্তৰাষ্ট্ৰৰ পতনৰ মাজত পৰিদৰ্শিত হৈছে। (সঁচা/মিছা)

(৫) মনমোহন সিঙৰ নেতৃত্বত চলি থকা চৰকাৰৰ সময়ছোৱাত ভাৰতৰ পূবলৈ চোৱা নীতিৰ আৰম্ভণি কৰা হৈছিল। (সঁচা/মিছা)

অনুশীলনী ৩

তলৰ প্ৰশ্নসমূহৰ উত্তৰ কৰক-

(১) পূবলৈ চাওক নীতি (Look East Policy) ৰ বিষয়ে আৰু বিশদ বিচাৰি উলিয়াওক।

.....

.....

.....



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোত, উত্তৰ-পূব ভাৰতৰ প্ৰসঙ্গত উন্নয়নৰ ধাৰণাক কেনেকৈ বুজিব পাৰি তাক আপুনি জানিব পাৰিলে।
- উত্তৰ-পূব ভাৰতত উন্নয়ন প্ৰধানত সুৰক্ষাজনিত উদ্বিগ্নতাৰ ওপৰত নিৰ্ভৰশীল আৰু এইদৰে কেন্দ্ৰৰ ৰাজ্যকেন্দ্ৰীক দৃষ্টিয়ে গোটেই অঞ্চলটোক বেছিভাগ ক্ষেত্ৰত অনুন্নত আৰু অকলশৰীয়া কৰি ৰাখিছে। ইয়াত উন্নয়নৰ আলোচনাই সীমান্তৰ অঞ্চল এটাক জাতীয়কৰণ কৰাৰ আকাৰ লৈছে।
- "উন্নয়নবাদৰ যুক্তি" ভাৰত যুক্তৰাষ্ট্ৰৰ বিভিন্ন প্ৰতিষ্ঠান(বিভাগত) গভীৰভাৱে শিপাই আছে বুলি বিশ্বাস কৰা হয়। ইয়াৰ আঁৰত সীমান্তৰ অঞ্চলক জাতীয়কৰণ কৰাৰ লক্ষ্য নিহিত হৈ আছে। কেন্দ্ৰৰ এই অঞ্চলৰ উন্নয়নৰ পদক্ষেপক সেয়ে সীমান্ত অঞ্চলৰ দৈনন্দিন নিয়ন্ত্ৰণ হিচাপেহে পৰিলক্ষিত হোৱা দেখা যায়।
- এই অধ্যায়টোৰ জৰিয়তে আপুনি উত্তৰ পূব পৰিষদৰ ভূমিকা আৰু গুৰুত্বৰ বিষয়েও এইটো গম পালে যে উত্তৰ পূব পৰিষদ ১৯৭১ চনত এখন সংসদীয় আইনৰ দ্বাৰা গঠিত হৈছে। ইয়াৰ মুখ্য কাৰ্য্যালয় মেঘালয়ৰ শ্বিলঙত অৱস্থিত। ইয়াৰ যুগ্ম উদ্দেশ্য হিচাপে উন্নয়ন আৰু সুৰক্ষা দুয়োটাকে ভাৰসাম্যভাৱে চলাই আছে।
- ডনাৰৰ বিভাগ (Department of DoNER, Development of North Eastern region) হিচাপে ২০০১ চনত স্থাপিত হোৱাৰ পিছত ২০০৪ চনত উত্তৰ-পূব অঞ্চলৰ উন্নয়ন মন্ত্ৰণালয় হিচাপে ই ভাৰত যুক্তৰাষ্টৰ মন্ত্ৰণালয়লৈ উন্নীত হৈছিল যাক ডনাৰ (DoNER) হিচাপে জনা বেছিকৈ জনা যায়।
- কেন্দ্ৰীয় চৰকাৰৰ তলত এইটো সেই সংযোগকাৰী সংস্থা যি প্ৰধানত উত্তৰ-পূব ভাৰতৰ আঠটা ৰাজ্যৰ আৰ্থ-সামাজিক সংক্ৰান্তীয় পৰিমাপৰ লগত জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহ আৰু উন্নয়নৰ দিশসমূহ চোৱা-চিতা কৰে।

- ই পৰিকল্পনা; কার্যকাৰিতা আৰু উত্তৰ-পূব ভাৰতৰ উন্নয়নমূলক আঁচনি আৰু প্রকল্পসমূহৰ চোৱা-চিতাৰ লগত জড়িত বিষয়সমূহৰ দায়িত্ব বহন কৰে।
- ই ২০০৪ চনতহে এটা সম্পূর্ণ মন্ত্রণালয় হিচাপে স্বীকৃতি লাভ কৰে।
- ডনাৰৰ মন্ত্রীসভাই কেন্দ্রীয় সচিব আৰু আন সহযোগী সচিবসমূহৰ দ্বাৰা সহায় লাভ কৰে। যিহেতু উত্তৰ-পূব পৰিষদ প্রধানকৈ পৰিকাঠামোৰ উন্নতি সাধন আৰু উত্তৰ-পূব ভাৰতৰ উন্নয়নৰ লগত জড়িত গতিকে ই ধাৰণ ক্ষমতা নির্মাণ প্রক্রিয়াৰ সুযোগ প্রদানকাৰী, উকালতি আৰু কেন্দ্রীয় মন্ত্রণালয় আৰু উত্তৰ-পূব ভাৰতৰ ৰাজ্যিক চৰকাৰসমূহৰ সৈতে সমন্বয়কাৰী হিচাপে কার্যনির্বাহ কৰে।
- ১৯৯১ চনত পি.ভি. নৰসিংহ ৰাওৰ নের্তৃত্বত চলি থকা চৰকাৰৰ সময়ছোৱাত ভাৰতৰ পূবলৈ চাওক নীতি (Look East Policy) ৰ আৰম্ভণি কৰা হৈছিল। ইয়াৰ লক্ষ্য আছিল ভাৰতক এটা আঞ্চলিক শক্তি হিচাপে সুদৃঢ় অধিকাৰ নিশ্চিত কৰাৰ উদ্দেশ্যে দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ সৈতে গুৰুত্বপূর্ণ অর্থনৈতিক আৰু কৌশলগত সম্পর্ক স্থাপন কৰাৰ।
- এই প্রসঙ্গত পূবলৈ চোৱা নীতি (Look East Policy) বৰ গুৰুত্বপূর্ণ হৈ পৰে কাৰণ এছিয়ান দেশসমূহৰ সৈতে বন্ধুত্বপূর্ণ সম্পর্ক গঢ় দি ইয়াক এটা নতুন দিশ প্রদান কৰিছে।
- মোদী চৰকাৰে এই ধাৰণাটোকে আগুৰাই লৈ গৈছে আৰু এছিয়ান আৰু পূব এছিয়াৰ দেশসমূহৰ সৈতে ভাৰতৰ সম্পর্ক স্থাপন আৰু উন্নত কৰিবলৈ নিজা সূত্র পূবলৈ কার্য কৰা নীতি প্রয়োগ কৰিছিল



১৩.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Baruah, Sanjib. (2007). Durable Disorder: Understanding the Politics of Northest India. Oxford India Paperbacks.
2. Nayak, Purushottam. (2008). “Human Development in Northeast India.” Growth and Human Development in North East India. Oxford University Press New Delhi.



১৩.৯ অগ্রগতিৰ খতিয়ান

(১) সঁচা (২) সঁচা (৩) সঁচা (৪) সঁচা (৫) মিছা



১৩.১০ আৰ্হি প্ৰশ্ন

(১) উত্তৰ-পূব ভাৰতত উন্নয়নৰ ধাৰণাক সমালোচনামূলকভাবে বিশ্লেষণ কৰক।

(২) এটা সীমান্ত অঞ্চল হিচাপে উত্তৰ-পূব ভাৰত আৰু এই অঞ্চলত এটা জাতীয়তাবাদী অঞ্চল হিচাপে গঠন কৰাত কেন্দ্ৰৰ ভূমিকাৰ যুক্তিযুক্ততা বৰ্ণনা কৰক।

(৩) আন্ত-আঞ্চলিক যোগসূত্ৰ স্থাপন আৰু তাৰ জৰিয়তে এই অঞ্চলৰ বাধাসমূহ নিৰ্মূলকৰণত উত্তৰ-পূব পৰিষদ কি ভাৱে গুৰুত্বপূৰ্ণ?

(৪) ডনাৰ মন্ত্ৰণালয়ৰ কাৰ্যাৱলী আৰু ভূমিকাৰ বিষয়ে আলোচনা কৰক।

(৫) জাতীয় ৰাজ্যসমূহৰ মাজত আঞ্চলিক সহযোগিতা বৃদ্ধিৰ কাৰণ কি? উত্তৰ পূব ভাৰতৰ পৰিপ্ৰেক্ষিতত পূবলৈ চোৱা নীতি (Look East Policy) ৰ গুৰুত্ব বৰ্ণনা কৰক।

****



REFERENCES

Ahmed U Joynal;2007; *Industrialization in North-Eastern region*; Mittal publication; New Delhi.

Basole, Amit. 2010. "Agrarian Change in North India: Evidence from Haryana and Uttar Pradesh."

Barpujari H.K. (1992) The Comprehensive History of Assam, Publication Board Assam, Vol.2; Guwahati.

Baruah Sanjib (1999) Indian Against Itself, Oxford University Press, New Delhi.

Baruah, S. (2007). *Durable Disorder: Understanding the Politics of Northeast India*. New Delhi: Oxford University Press.

Bhaumik, S. (2009). *Troubled Periphery: The Crisis of India's North East*. New Delhi: SAGE.

Binswanger-Mkhize, Hans P. 2013. "The Stunted Structural Transformation of the Indian Economy: Agriculture, Manufacturing and the Rural Non-Farm Sector." Economic and Political Weekly XLVIII (26 and 27) (29 June): 5–13

Cline, L. E. (2006). The Insurgency Environment in Northeast India. *Small Wars & Insurgencies, 17*(2), 126-147. doi:10.1080/09592310600562894

CSD. 2004. Endangered Symbiosis: Evictions and India's Forest Communities. New Delhi: Campaign for Survival and Dignity. CSE. 2011. "Forest clearance." Centre for Science and Environment. http://www.cseindia.org

Dhar, pk; 1993; *Indian Economy its growing Dimensions*; Kalyani publishers; New Delhi.

Dutta P.S. (ed 1993) Autonomy Movements in Assam, vol-1, Cosmos publications; New Delhi.

Fenton, Steve (2003) Ethnicity, Polity; Cambridge.

George S. Jacob (1989) The Demand for Autonomy/ Statehood in N.C. Hills and Karbi Anglong: An Overview in B.C. Bhuyan (ed.) "Political Development in the North East"; New Delhi

Gohain U.N. (1942) Assam Under the Ahoms, D.K. fine Art Press; Delhi.

Hazarika, S. (2011). *Strangers of the Mist: Tales of War and Peace from India's Northeast*. New Delhi: Penguin Books.

Kar, Bodhisattva. 2004. What is in a Name? Politics of Spatial Imagination in Colonial Assam, CENISEAS Papers 5; Guwahati: Centre for Northeast India, South and Southeast Asia.

Karna (ed.). Land Relations on North-east India. New Delhi: Peoples Publishing House. pp. 167-171. Kumar, Nikhlesh. 2005. "Identity Politics in the Hill Tribal Communities in the North-Eastern Region of India," Sociological Bulletin, 54 (n. 2), pp. 195-217.

Kohli, Atul. 1989. The State and Poverty in India. Cambridge University Press.

Nayak, Purusottam. (2008)." Human Development in Northeast India*." Growth and Human Development in North East India*. Oxford University Press New Delhi.

North eastern council news letter, vol, 1. Issue.1.December, 2017.

Presentation on infrastructure development in north-east Indian states, presentation submitted in conference of chief ministers of north eastern region.

Saikia, Y., &Baishya, A. R. (2017). *Northeast India: A Place of Relations*. New Delhi: Cambridge University Press.

Sanjay Barbora. (2006). Rethinking India's Counter-Insurgency Campaign in North-East. *Economic and Political Weekly, 41*(35), 3805-3812. Retrieved from http://www.jstor.org/stable/4418651

Sengupta Sarthak (ed.2002) Tribal Studies in North East India, Mittal publications; New Delhi.

Singh, Ramesh; 2016; *Indian Economy*; Mc Graw hill, New Delhi.

Shah, Alpa, and Barbara Harriss-White. 2011. "Resurrecting Scholarship on Agrarian Transformations." Economic and Political Weekly XLVI (39) (24 September): 13–18.

Shah Ghanashyam (1990) Social Movements in India, Sage publications; New Delhi

Rao MSA (2002) Social Movements in India, Manohar Publishers and distributiors; New Delhi.

Reid, R. (2013). *History of the Frontier Areas Bordering on Assam: From 1883-1941*. Guwahati: Bhabani.

Xaxa, V. 2001. "Empowerment of Tribes," in Debal L. Singharoy (ed). Social Development and the Empowernment of Marginalised Groups. New Delhi: Sage Publications, pp. 202-222.